# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-12-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত আজি নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই উপলক্ষে আজি সৰুসজাই ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। নতুন বিধানসভা সমষ্টি ভিত্তিত আনুষ্ঠানিকভাৱে বিতৰণ কৰিবলগীয়া সৰুসজাই ষ্টেডিয়ামত আজি এই নতুন ৰেচন কাৰ্ডসমূহৰ কামৰূপ মহানগৰৰ জালুকবাৰী, গুৱাহাটী মধ্য বিধানসভা সমষ্টিৰ লোকৰ বাবে প্ৰদান কৰা হয়। নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ত কামৰূপ মহানগৰৰ লগতে বজালী, বিশ্বনাথ, চৰাইদেউ, ডিব্ৰুগড়, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, লখিমপুৰ, মাজুলী, নলবাৰী, শিৱসাগৰ, শোণিতপুৰ, দক্ষিণ শালমাৰা, শ্ৰীভূমি, তিনিচুকীয়া, পশ্চিম কাৰ্বি আংলং জিলাকো সামৰি লোৱা হৈছে।

খাদ্য সুৰক্ষা নিশ্চিতকৰণৰ লক্ষ্যৰে প্ৰদান কৰা এই নতুন ৰেচন কাৰ্ডসমূহৰ জৰিয়তে জনসাধাৰণে বিভিন্ন ধৰণৰ সুবিধা লাভ কৰিব।

ooooo

অসম চৰকাৰৰ বিত্তীয় বিভাগৰ উদ্যোগত অৰুণোদয় পযেক আঁচনিৰ অধীনত আজিৰে পৰা ২৮ ডিচেম্বৰলৈ নিৰপেক্ষ আৰু স্বচ্ছ প্ৰক্ৰিয়াৰে যোগ্য বিবেচিত পৰিয়ালসমূহক বিত্তীয় সাহায্য প্ৰদানৰ দিহা কৰা হৈছে। বিত্তীয় সাহায্যৰ বাবে যোগ্য হিতাধিকাৰী বাছনিৰ উদ্দেশ্যে এই দুসপ্তাহজোৰা অৰুণোদয় পযেক আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ হিতাধিকাৰী হ'বলৈ আবেদনকাৰী অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে বৰ্তমান অসমতে বাস কৰা হ'ব লাগিব। আনহাতে আবেদনকাৰীৰ আধাৰ সংযুক্ত বৈধ ৰেচন কাৰ্ড থকাটো প্ৰয়োজনীয়। এই আঁচনিৰ সুবিধা লাভ কৰিবলৈ বিধবা, ৪৫ বছৰ বয়সৰ ঊৰ্ধৰ অবিবাহিতা, বিবাহ বিচ্ছেদিত মহিলা, অকলশৰীয়া মহিলা, তৃতীয় লিংগ, দিব্যাংগ ব্যক্তি, চৰকাৰী পঞ্জীয়নভুক্ত বৃদ্ধাশ্ৰমত থকা মহিলা তথা বৃদ্ধা, ৰুগীয়া মহিলা, আশ্ৰয়হীন পৰিয়ালৰ মহিলা, অন্ত্যোদয়া অন্ন যোজনাৰ মহিলা হিতাধিকাৰীসকলে আবেদন কৰিব পাৰিব।

ooooo

গোৱালপাৰা জিলাৰ ৰামপুৰত অৱস্থিত বাদুংদুপ্পা কলাকেন্দ্ৰৰ **আন্দাৰ দ্য শাল ট্ৰী** শীৰ্ষক তিনিদিনীয়া নাট মহোৎসৱ আজি আৰম্ভ হৈছে। বিশিষ্ট চিত্ৰশিল্পী ৰবীৰাম ব্ৰহ্মই পুৱা নাট সমাৰোহৰ শুভাৰম্ভ কৰে। আজি পুৱাৰ ভাগত **দদান ৰজা** নামৰ ৰাভা ভাষাৰ নাটখন পৰিবেশন কৰা হয়। তদুপৰি দিনৰ আঢ়ৈ বজাত বড়ো ভাষাৰ নাট **মংলি** মঞ্চস্থ কৰা হয়। উল্লেখযোগ্য যে বিশিষ্ট নাট্যকৰ্মী প্ৰয়াত শুক্ৰাচাৰ্য্য ৰাভাই আৰম্ভ কৰা বাদুংদুপ্পা কলাকেন্দ্ৰই বিগত ১৪ বছৰ ধৰি ৰামপুৰ গাঁৱৰ সংৰক্ষিত বনাঞ্চলত থকা শ শ শালগছৰ মাজৰ এডোখৰ মাটিক মঞ্চৰ ৰূপ দি দিনৰ পোহৰত নাট মঞ্চস্থ কৰি আহিছে। বনাঞ্চলৰ মাজত মঞ্চ তৈয়াৰ কৰি

সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশৰ মাজত কোনোধৰণৰ যান্ত্ৰিক শব্দ, বৈদ্যুতিক পোহৰ আদি অবিহনে এই নাট সমাৰোহ অনুষ্ঠিত কৰা হয়। থলুৱা সা-সঁজুলি আৰু থলুৱা বাদ্যযন্ত্ৰক প্ৰাধান্য দি লোক নাট্য সংস্কৃতিক ব্যতিক্ৰমী ধাৰাৰে জীয়াই ৰখাৰ উদ্দেশ্যে বাদুংদুপ্পা কলাকেন্দ্ৰই আয়োজন কৰা এই নাট সমাৰোহত কাইলৈ আৰু পৰহিলৈ পশ্চিমবংগ আৰু চেন্নাইৰ নাট্য দলেও নাট পৰিবেশন কৰিব। কাইলৈ পুৱাৰ ভাগত তামিল ভাষাৰ নাট **তিনধান চৰ্থীৰাম** আৰু দিনৰ আঢ়ৈ বজাত **কিষাণ ৰাজ** নামৰ নাট দুখন মঞ্চস্থ কৰা হ'ব বুলি আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনাইছে।

০০০০০

গোৱালপাৰা জিলাৰ আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে আজি গোৱালপাৰা সংমণ্ডলৰ লেলা গাঁৱত উপস্থিত হৈ গোবৰধন আঁচনিৰ অগ্ৰগতি পৰ্যবেক্ষণ কৰে। আয়ুক্তগৰাকীয়ে বিনামূলীয়াকৈ জৈৱ গেছৰ যোগান লাভ কৰা হিতাধিকাৰীসকলৰ সৈতে মত-বিনিময় কৰে। স্বচ্ছ ভাৰত অভিযানৰ প্ৰদূষণ ৰোধ তথা স্বচ্ছ পৰিবেশ গঢ়ি তোলাৰ লক্ষ্যৰ সৈতে সংগতি ৰাখি দেশত গোবৰধন আঁচনি ৰূপায়ণ কৰা হৈছে। এই আঁচনিৰ জৰিয়তে গোটা আবৰ্জনা নিষ্কাষণৰ উপৰি এই আবৰ্জনাৰ পৰা জৈৱ গেছ উৎপন্ন কৰি জনসাধাৰণক উপকৃত কৰাৰ লক্ষ্য লোৱা হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগ গোৱালপাৰা সংমণ্ডলে জিলাখনৰ লেলা গাঁৱত ৩০ ঘন মিটাৰ জৈৱ গেছৰ ক্ষেত্ৰ স্থাপন কৰি ২১টা পৰিয়ালক বিনামূলীয়া জৈৱ গেছ সংযোগৰ সুবিধা দিছে। এই আঁচনিৰ জৰিয়তে পশুধনৰ মল নিষ্কাষণৰ সুব্যৱস্থাও কৰা হৈছে। গোটা আবৰ্জনা তথা পশুধনৰ মলৰ পৰা জৈৱ গেছ উৎপন্ন কৰাৰ পাছত ৰৈ যোৱা আবৰ্জনাসমূহ সাৰ হিচাপে খেতিত প্ৰয়োগ কৰা হৈছে।

০০০০০

গুৱাহাটীৰ কামাখ্যা মন্দিৰ, উমানন্দ মন্দিৰ, চক্ৰেশ্বৰ মন্দিৰ, উত্তৰ গুৱাহাটীৰ অশ্বক্লান্ত মন্দিৰ, দৌল গোবিন্দ মন্দিৰ, কাজিৰঙাৰ পাণ্ডুনাথ মন্দিৰ আৰু মাজুলীৰ আউনীআটী সত্ৰক ব্ৰহ্মপুত্ৰ জলপথেৰে সংযোগ কৰা হব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এই ঘোষণাৰ পাছত ৰাজ্য চৰকাৰে এই কাম আৰম্ভ কৰাৰ বাবে সাজু হৈছে। এই প্ৰকল্পৰ বাবদ ৬৪৫ কোটি ৫৬ লাখ টকা ব্যয় হ'ব বুলি অনুমান কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰখনক অধিক উজ্জীৱিত কৰি তুলিবলৈ বিচৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত